**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***

**::::::::::::::::::::::::::::::::::::::::**

# HEADLINES

১। নতুন দিল্লীত কাইলৈ ৰাজ্যৰ ২০ গৰাকী আত্মনিৰ্ভৰশীল মহিলাৰ প্ৰধানমন্ত্ৰীৰে মত বিনিময়।

২। ৰাজ্যৰ তেল শোধনাগাৰসমূহৰ উৎপাদন ক্ষমতা শীঘ্ৰেই দুগুন কৰা হ'ব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ।

৩। শোণিতপুৰ, মাজুলী, তিনিচুকীয়া, বাক্সা আৰু ওদালগুৰি জিলাৰ বিকাশ যাত্ৰা কাৰ্যসূচীত আজি বহুকেইটা প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমি পূজন।

৪। পূব মণ্ডল ছাব জুনিয়ৰ বক্সিঙত অসমৰ ১২ টা সোণ সহ সৰ্বমুঠ ৪৩টা পদক অৰ্জন।

*আৰু*

৫। ফ্ৰেন্স অপেন বেডমিণ্টন প্ৰতিযোগিতাত কোৰিয়াৰ কাং মিন হ্যুক আৰু ছিউ সেউং জেৰ যুটীটোক পৰাস্ত কৰি ভাৰতীয় যুটী সত্বিক ছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ ফাইনেলত প্ৰৱেশ।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ নতুন দিল্লীত দেশৰ কেইবাখনো ৰাজ্যৰ উদ্যমী মহিলাৰ সৈতে মত বিনিময় কৰিব। বেংকৰ ঋণ, গ্ৰামীন জীৱিকা অভিযান আদিৰ সাহাৰ্য আৰু প্ৰশিক্ষণ লৈ আত্মনিৰ্ভৰশীল হোৱা কেইবাগৰাকীও উদ্যমী মহিলাৰ লগত প্ৰধনমন্ত্ৰীয়ে ভাব বিনিময় কৰিব। উল্লেখযোগ্য যে, দেশৰ কেইবাখনো ৰাজ্যৰ উদ্যমী মহিলাৰ সাক্ষাৎকাৰ লৈ সফল আৰু আত্মনিৰ্ভৰশীল মহিলাৰ তালিকা প্ৰস্তুত কৰা হৈছিল। এই তালিকাত অসমৰ ২০ গৰাকীকৈ আত্মনিৰ্ভৰশীল মহিলাৰ নাম অন্তৰ্ভুক্ত হৈছে। ৰাজ্যৰ বহুসংখ্যক আত্মনিৰ্ভৰশীল মহিলাৰ মাজৰ পৰা দীঘলীয়া প্ৰক্ৰিয়াৰ অন্তত প্ৰধানমন্ত্ৰীৰ সৈতে মত বিনিময় কৰিবলগীয়া এইসকল মহিলাৰ নাম চৰকাৰে চূড়ান্ত কৰিছে। পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ অসম গ্ৰামীন জীৱিকা অভিযানৰ জৰিয়তে আত্মনিৰ্ভৰশীল হোৱা এই ২০ গৰাকী মহিলাই আজি বিমানেৰে নতুন দিল্লীলৈ ৰাওনা হ'ব। প্ৰধানমন্ত্ৰীৰ সৈতে মত বিনিময় অনুষ্ঠানত ভাগ ল'বলগীয়া মহিলা কেইগৰাকী হৈছে– বৰপেটাৰ চকচকাৰ কল্পনা বৰ্মন, বঙাইগাঁৱৰ অঞ্জনা বৰ্মন, ধেমাজিৰ মুনমী সোণোৱাল, ধুবুৰীৰ জ্যোস্না পাল, গোৱালপাৰাৰ সুনয়না ক'ৰ, কামৰূপ মহানগৰৰ তুলিকা গগৈ স্বৰ্গীয়াৰী, কোকৰাঝাৰৰ বিন্দিয়া নাৰ্জাৰী আৰু চোমাইনা ব্ৰহ্ম, মৰিগাঁৱৰ ববী বৰা, শিৱসাগৰৰ চন্দনা শইকীয়া কলিতা, তিনিচুকীয়াৰ কাজলি কুৰ্মী, নলবাৰীৰ কণিকা তালুকদাৰ, নগাঁৱৰ ৰেণু মহন্ত, শিৱসাগৰৰ তানুমায়া সোণাৰ বিশ্বকৰ্মা, চিৰাঙৰ বনিমা ব্ৰহ্ম, বিশ্বনাথৰ পদুমী কাৰদং আৰু ৰিনা বৰুৱা, শোণিতপুৰৰ অমৃত মাধুৰী দেৱী, কামৰূপৰ অনুপমা ঠাকুৰীয়া আৰু কুইন চলিহা ডেকা। এইসকল মহিলাই কৃষিকৰ্ম, তাঁতশালত কাপোৰ তৈয়াৰ কৰা, কেঁচু সাৰ উৎপাদন, নাৰ্চাৰী ব্যৱসায়, খাদ্য প্ৰস্তুতকৰণ, জৈৱিক কৃষি, দুগ্ধ উৎপাদন, কাপোৰ বিক্ৰী, মৎস্য উৎপাদন, পশুপালন আদি বিভিন্ন দিশত কাম কৰি আত্মনিৰ্ভৰশীল হৈছে। উল্লেখযোগ্য যে, ৰাজ্যৰ প্ৰায় ৮ লাখ মহিলাক লাখপতিৰ শাৰীলৈ ইতিমধ্যে উন্নীত

হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত নতুনকৈ ১০ লাখ মহিলাক লাখপতি বাইদেউৰ পৰিচয় দিবলৈ ৰাজ্য চৰকাৰে সংকল্প লৈছে।

০০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি ৰাজ্যৰ তেল শোধনাগাৰসমূহৰ উৎপাদন ক্ষমতা শীঘ্ৰেই দুগুণ কৰা হ'ব বুলি প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কালি ৰাজ্যত মুঠ ১৭ হাজাৰ ৫০০ কোটি টকাৰ ১২টা বৃহৎ প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি এই কথা প্ৰকাশ কৰে। যোৰহাটৰ মেলেং মেটেলীত আয়োজিত বিশেষ অনুষ্ঠানত অংশ লৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে হাইড্ৰ' কাৰ্বন প্ৰকল্পৰ অধীনত বাৰাউনী-গুৱাহাটী প্ৰাকৃতিক গেছ পাইপলাইন, নাহৰকটীয়া-বাৰাউনী খাৰুৱা তেলৰ পাইপলাইনৰ বাৰাউনী-বঙাইগাঁও-গুৱাহাটী খণ্ডৰ পাম্পিং ক্ষমতা বৰ্ধিতকৰণ আৰু দুলীয়াজানৰ এক নম্বৰ পাম্প ষ্টেচনৰ পৰা ডিগবৈ শোধনাগাৰলৈ খাৰুৱা তেলৰ পাইপলাইনৰ উদ্বোধন কৰে। তেওঁ ডিগবৈ শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ, গুৱাহাটী শোধনাগাৰৰ বাৰ্ষিক ক্ষমতা বৃদ্ধিকৰণ আৰু ভাৰতীয় তেল নিগমৰ গুৱাহাটীৰ বেতকুছি টাৰ্মিনেলৰ সুবিধাসমূহৰ সম্প্ৰসাৰণ কাৰ্যৰো আধাৰশিলা স্থাপন কৰে।

০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে অহা ১৪ মাৰ্চত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৰৰ জন্মস্থান বটদ্ৰৱাত উপস্থিত হৈ বহু প্ৰত্যাক্ষিত বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম মুকলি কৰিব। সেই দিনা শ্ৰী শ্বাহে প্ৰায় ১৮৮ কোটি টকা ব্যয়ৰে নিৰ্মাণ হৈ থকা বটদ্ৰৱা প্ৰকল্পৰ প্ৰথম পৰ্যায়ৰ কাম মুকলি কৰাৰ লগতে দ্বিতীয় পৰ্যায়ৰ কামৰ শুভাৰম্ভণি কৰিব। ২০২১ চনৰ ২৫ ফেব্ৰুৱাৰীত গৃহমন্ত্ৰী গৰাকীয়ে আনুষ্ঠানিকভাৱে এই প্ৰকল্পৰ নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰিছে। উল্লেখযোগ্য যে ২০১৬ চনত বিজেপি চৰকাৰে শাসনভাৰ গ্ৰহণ কৰাৰ পিছতেই বৰ্তমানৰ কেন্দ্ৰীয় মন্ত্ৰী তথা তদানীন্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ তৎপৰতাত বটদ্ৰৱা থানৰ আকাশী গংগা তীৰৰ ১৬০ বিঘা ভূমি বেদখন মুক্ত কৰি সেই স্থানতে ঐতিহাসিক বটদ্ৰৱা প্ৰকল্পৰ নিৰ্মাণ কাৰ্য আৰম্ভ কৰা হৈছিল। নিৰ্মিয়মান এই প্ৰকল্পত বিশ্বৰ সৰ্বোচ্চ গুৰুআসন, সত্ৰীয়া সংস্কৃতিক প্ৰতিফলিত হোৱা বিভিন্ন কাৰুকাৰ্য খচোৱা অতিথি গৃহ, সংগ্ৰহালয়, পুথিভঁৰাল, সংস্কৃতি চৰ্চা কেন্দ্ৰ, উদ্যান আদি নিৰ্মাণ কৰা হৈছে।

ইপিনে, গৃহমন্ত্ৰীগৰাকীৰ আগমনৰ পূৰ্বেই প্ৰকল্পটোৰ নিৰ্মাণকাৰ্যৰ অগ্ৰগতি আৰু বিভিন্ন কাম-কাজৰ খতিয়ান লোৱাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকল্পস্থলী পৰিদৰ্শন কৰিব। ইয়াৰ পূৰ্বে কালি নগাঁৰৰ বিধায়ক ৰূপক শৰ্মাই জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহৰ সৈতে প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়।

০০০০০০০০

শোণিতপুৰ জিলাৰ ঢেকীয়াজুলি ৰাজহ চক্ৰৰ অন্তৰ্গত ৩ নম্বৰ চিতলমাৰী বৰচলা ব্লকত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উদ্যোগত ৫০ মেগাৱাট সৌৰশক্তি প্ৰকল্পৰ আজি শুভাৰম্ভ কৰা হ'ব। প্ৰায় ৩০০ কোটি টকা ব্যয় সাপেক্ষ এই সৌৰশক্তি প্ৰকল্পৰ আজি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ভূমিপূজন কৰিব। এই অনুষ্ঠানত ৰাজ্যৰ শক্তিমন্ত্ৰী নন্দিতা গাৰ্লোচা, গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী অশোক সিংঘালৰ লগতে সাংসদ পল্লৱ লোচন দাস আৰু বৰচলাৰ বিধায়ক গণেশ কুমাৰ লিম্বু উপস্থিত থাকিব।

০০০০০০০০

গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৩১ সংখ্যক সমাৱৰ্তন সমাৰোহ অহা ১৫ মাৰ্চত অনুষ্ঠিত হ'ব। বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা ৰাজ্যপাল গোলাব চান্দ কাটাৰিয়াৰ সভাপতিত্বত হ'বলগীয়া এই সমাৱৰ্তন সমাৰোহত মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। এই সমাৰোহত বিশিষ্ট গণিতজ্ঞ অধ্যাপক তাৰকেশ্বৰ চৌধুৰীত ডক্টৰ অৱ ছাইন্স, বিশিষ্ট সংগীত পৰিচালক ৰমেন চৌধুৰী আৰু অসমৰ প্ৰথম মহিলা মাউট পাৰ্বতী বৰুৱা সন্মানীয় পি এইচ ডি ডিগ্ৰী প্ৰদান কৰা হ'ব।

০০০০০০০০

ৰাজ্যৰ সৰ্বাংগীণ উন্নয়ন আৰু বিকাশৰ প্ৰয়াস হিচাপে আৰম্ভ কৰা বিকাশ যাত্ৰাৰ অধীনত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী, বিধায়ক আৰু সাংসদে শোণিতপুৰ, মাজুলী, তিনিচুকীয়া, বাক্সা আৰু ওদালগুৰি জিলাত কেইবা কোটি টকা ব্যয় সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমি পূজান কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আজি পুৱা ১০ বজাত শোণিতপুৰৰ ঘোঁৰামাৰীত থকা হেমবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া এখন জনসভাত মুখ্য অতিথি হিচাপে অংশ লৈ মুঠ এহেজাৰ ৩৪০ কোটি টকা ব্যয় সাপেক্ষ ৫৬টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰাৰ লগতে ৩০ কোটি টকা ব্যয় সাপেক্ষ ঢেকীয়াজুলি সমষ্টিৰ চিতলমাৰী আদৰ্শ আৱাসিক বিদ্যালয়ৰ প্ৰশাসনিক ভৱন, অতিথি গৃহ, ছাত্ৰাবাস, শিক্ষক তথা অধ্যক্ষৰ বাবে আবাস আৰু খেলপথাৰৰ উদ্বোধন কৰিব। এই অনুষ্ঠানত কেবিনেট মন্ত্ৰী অশোক সিংহল, তেজপুৰৰ সাংসদ পল্লৱ লোচন দাস আৰু কেইবাজনো বিধায়ক উপস্থিত থাকিব। ইপিনে মুখ্যমন্ত্ৰীগৰাকীয়ে আজি বাক্সা আৰু ওদালগুৰি জিলাৰ বিকাশযাত্ৰাৰ কাৰ্যসূচীতো অংশগ্ৰহণ কৰিব।

বাক্সাৰ অদালবাৰী খেলপথাৰত অনুষ্ঠিত এখন জনসভাত অংশ লৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই মুঠ ৩০৮ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰিব। এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে বৰমাৰ পৰা নিকাচিলৈ ৯০ কোটি টকা ব্যয় সাপেক্ষ পথ উন্নয়ন আৰু উন্নীতকৰণ প্ৰকল্পৰ ভূমি পূজনো কৰিব।

ইপিনে, বিয়লি ৩ বজাত ওদালগুৰিত উপস্থিত হৈ মুখ্যমন্ত্ৰী ড০ শৰ্মাই ভেৰগাঁও ষ্টেডিয়ামৰ পৰা ৩১৬ কোটি টকাৰ ব্যয় সাপেক্ষ ৫৯ টা প্ৰকল্প মুকলি কৰাৰ লগতে ১৩২ কোটি টকা ব্যয়ৰে ভেৰগাঁও সমষ্টিৰ কেইবাটাও পথৰ আধাৰশিলা স্থাপন কৰিব।

বিকাশ যাত্ৰাৰ অংশ হিচাপে আজি কেবিনেট মন্ত্ৰী যোগেন মহনে মাজুলী জিলাত ২২৩ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন, আধাৰশিলা স্থাপন আৰু ভূমি পূজন কৰিব। একেদৰে তিনিচুকীয়া জিলাত কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলী আৰু কেবিনেট মন্ত্ৰী সঞ্জয় কিষানৰ উপস্থিতিত মুঠ ২৫৯ কোটি টকা ব্যয় সাপেক্ষ বিভিন্ন প্ৰকল্প মুকলি আৰু শিলান্যাস কৰিব। এই প্ৰকল্পসমূহে জিলাকেইখনৰ লগতে সামগ্ৰিকভাৱে ৰাজ্যবাসীক যথেষ্ট পৰিমাণে লাভান্বিত কৰিব।

০০০০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰচাৰত ডিজিটেল মাধ্যমে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব। কালি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাজ্যৰ জ্যেষ্ঠ সাংবাদিক প্ৰাণজিৎ শইকীয়া আৰু পৰাগমণি আদিত্যই এইদৰে প্ৰকাশ কৰে। এই নিৰ্বাচনত শাসকীয় দল বিজেপিয়ে প্ৰচাৰৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰিছে বুলি সাংবাদিকদ্বয়ে মন্তব্য কৰে। বিজেপিৰ সমান্তৰালকৈ বিভিন্ন মাধ্যমৰ জৰিয়তে বিৰোধী দলসমূহে চলোৱা প্ৰচাৰ অভিযানৰ বিষয়েও তেওঁলোকে মতপ্ৰকাশ কৰে। এই সাধাৰণ

নিৰ্বাচনত অসম, পশ্চিমবংগ আৰু তামিলনাডুৰ নিৰ্বাচনী প্ৰেক্ষাপট সম্পৰ্কতো পৰ্যালোচনা আগবঢ়োৱা হয়। আকাশবাণী গুৱাহাটীৰ বাৰ্তা সম্পাদক মানসপ্ৰতীম শৰ্মাই আঁত ধৰা অনুষ্ঠানত বিৰোধী দলৰ শক্তিশালী অৱস্থানে নিৰ্বাচনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলিও তেওঁলোক উল্লেখ কৰে। আনহাতে অসমৰ ক্ষেত্ৰত শাসকীয় বিজেপি মিত্ৰজোঁটে প্ৰাৰ্থীৰ নাম ঘোষণা কৰাৰ বিপৰীতে বিৰোধী দলসমূহে আসন ভাগ-বটোৱাৰাক লৈ স্পষ্ট স্থিতিত উপনীত হোৱা নাই বুলি তেওঁলোকে মন্তব্য কৰে। তেওঁলোকে লগতে শেহতীয়া ৰাজনৈতিক প্ৰেক্ষাপটত নিৰ্বাচনী যুঁজ আকৰ্ষণীয় হৈ উঠিব উল্লেখ কৰে।

oooooooo

লোকসভা নিৰ্বাচনৰ পূৰ্বে নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলে কালি পদত্যাগ কৰে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে শ্ৰীগোৱেলৰ পদত্যাগ পত্ৰ গ্ৰহণ কৰে। শ্ৰীগোৱেলৰ পদত্যাগৰ পৰিপ্ৰেক্ষিতত নিৰ্বাচন আয়োগত বৰ্তমান দুটাকৈ পদ খালী হয়। উল্লেখযোগ্য যে, ২০২২ চনৰ নৱেম্বৰত তেওঁ নিৰ্বাচন আয়ুক্তৰ দায়িত্বভাৰ গ্ৰহণ কৰিছিল।

oooooooo

ডিব্ৰুগড়ৰ লেপেটকাটাত থকা ব্ৰহ্মপুত্ৰ ক্ৰেকাৰ এণ্ড পলিমাৰ লিমিটেডৰ সামাজিক দায়বদ্ধতা পুঁজিৰে ঢকুৱাখনাৰ মাজ জালভাৰি গাঁৱত স্থাপন কৰা ৫০ টাকৈ সৌৰশক্তি চালিত ষ্ট্ৰীট লাইট কালি উদ্বোধন কৰা হয়। পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ, শ্ৰম আৰু নিয়োগ দপ্তৰৰ কেন্দ্ৰীয় ৰাজ্যিক মন্ত্ৰী ৰামেশ্বৰ তেলীয়ে এই ষ্ট্ৰীট লাইটসমূহ উদ্বোধন কৰে। মুঠ ১৬ লাখ ২৭ হাজাৰ ৮০০ টকা ব্যয়ৰে স্থাপন কৰা এই ষ্ট্ৰীট লাইটৰ উদ্বোধনী অনুষ্ঠানত গেছ ক্ৰেকাৰ প্ৰকল্পটোৰ পৰিচালন সঞ্চালক প্ৰাঞ্জল চাংমাইৰ উপৰি বিজেপিৰ পশ্চিম ঢকুৱাখনা মণ্ডলৰ সভাপতি দুলাল দত্ত, মাজ জালভাৰি গাঁও উন্নয়ন সমিতিৰ পুষ্প দত্ত আৰু অন্যান্য কেইবাগৰাকীও বিশিষ্ট লোক উপস্থিত থাকে।

oooooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহা নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। আবেদন পত্ৰ দাখিলৰ অন্তিম দিন ১৯ মাৰ্চ ধাৰ্য্য কৰা হৈছে।

oooooooo

অসমৰ নৱাগত বক্সাৰে চলিত আৰ ই চি পূব মণ্ডল মুকলি প্ৰতিভাসন্ধানী বক্সিং প্ৰতিযোগিতাত চমকপ্ৰদ প্ৰদৰ্শন কৰি ছাবজুনিয়ৰ শাখাত ১২টা সোণ, ১৫টা ৰূপ আৰু ১৬ টা ব্ৰঞ্জসহ মুঠ ৪৩টা পদক জয় কৰিছে। গুৱাহাটী ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত চলি থকা মাণ্ডলিক প্ৰতিযোগিতাখনত ছোৱালীৰ ছাব জুনিয়ৰ শাখাত অসমে ৯টা সোণৰ লগতে ১০টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদক লাভ কৰি শ্ৰেষ্ঠ দলৰ সন্মান অৰ্জন কৰিছে। ইপিনে ছাব জুনিয়ৰ ল'ৰাৰ শাখাতো অসমৰ বক্সাৰে

অনন্য প্ৰদৰ্শন কৰি তিনিটা সোণ, ৫টা ৰূপ আৰু ৮টা ব্ৰঞ্জৰ পদক লাভ কৰিছে। প্ৰতিযোগিতাৰ ল'ৰাৰ জুনিয়ৰ শাখাত অসমৰ ৭ জন বক্সাৰে ফাইনেল খেলাৰ বিপৰীতে ৫ গৰাকী ছোৱালীয়ে স্বৰ্ণ জয়ৰ যুঁজত অৱতীৰ্ণ হ'ব।

oooooooo

ফ্ৰেঞ্চ অপেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতীয় যুটী সাত্বিক ছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীয়ে কোৰিয়াৰ কাং মিন হ্যুক আৰু ছিউ চেওঙ জেৰ যুটীটোক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। কালি পেৰিছত অনুষ্ঠিত ছেমি ফাইনেলত বিশ্বৰ শীৰ্ষ বাছনিৰ ভাৰতীয় যুটীটোৱে কোৰিয়াৰ যুটীটোক ২১-১৩, ২১-১৬ পোনপটীয়া গেমত পৰাস্ত কৰে। সাত্বিক ছাইৰাজ ৰণকীৰেড্ডী আৰু ছিৰাগ ছেট্টীৰ যুটীটোৱে আজি হ'বলগীয়া ফাইনেল খেলখনত টাইৱানৰ য়াং পো হান আৰু লি ঝে হুইৰ বিৰুদ্ধে খেলিব। ইপিনে পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত লক্ষ্য সেন বিশ্বৰ অষ্টম বাছনিৰ থাইলেণ্ডৰ খেলুৱৈ কুনলাবুট ভিটিড চাৰ্নৰ হাতত ২১-১৯, ১৩-২১, ১১-২১ গেমত পৰাস্ত হয়।

oooooooo

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেটৰ দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত যোৱানিশা অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছে গুজৰাট জায়েণ্টছক ৭ উইকেটত পৰাস্ত কৰে। গুজৰাটে প্ৰথমে বেট ধৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেট হেৰুৱাই ১৯০ ৰান সংগ্ৰহ কৰে। গুজৰাটৰ হৈ দয়ালান হেমলতাই ৭৪ আৰু বেথ মুনিয়ে ৬৬ ৰান কৰে। প্ৰত্যুত্তৰত মুম্বাই ইণ্ডিয়ানছে ১৯ অভাৰ ৫টা বলত হৰমনপ্ৰীত কৌৰৰ ৯৫ আৰু য়াষ্টিকা ভাটিয়াৰ ৪৯ ৰানৰ সহায়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়।

অৰুণ জেটলী ষ্টেডিয়ামত আজি হ'বলগীয়া এখন খেলত দেলহি কেপিটেলছে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া চাৰে ৭ বজাত অনুষ্ঠিত হ'ব।

oooooooo

## News Paper Review 10-03-2024

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি যোৰহাটত লাচিত বৰফুকনৰ প্ৰতিমূৰ্তি শৌৰ্যৰ মূৰ্তি উন্মোচন আৰু নিৰ্বাচনৰ প্ৰাকক্ষণত প্ৰধানমন্ত্ৰীয়ে অসমবাসীলৈ ১৭,৬০৬ কোটি টকাৰ প্ৰকল্পৰ উপহাৰ প্ৰদান কৰিলে। এই সন্দৰ্ভত গুৱাহাটীৰপৰা আজি প্ৰকাশিত আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ ভিন ভিন শিৰোনামেৰে বাতৰি প্ৰকাশ কৰিছে। অসম জাতীয় পৰিষদ দলে দিবাং নদীবান্ধ প্ৰকল্পৰ বিৰোধিতা কৰিছে। এই বাতৰিটো দৈনিক অসম আৰু দৈনিক জনমভূমি কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কংগ্ৰেছ শাসিত হিমাচল প্ৰদেশৰ ১১ জন বিধায়কে বিজেপি শাসিত উত্তৰাখণ্ডত আশ্ৰয় লোৱাত হিমাচল প্ৰদেশৰ চৰকাৰৰ পতন হোৱাৰ সম্ভাৱনা বৃদ্ধি পাইছে। এই বাতৰিটো আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। জেষ্ঠ্য অগপ নেতা ফণিভুষণ চৌধুৰীয়ে সমাগত লোকসভা নিৰ্বাচনৰ বাবে বৰপেটা সমষ্টিত প্ৰতিদ্বন্দ্বিতা নকৰাৰ ইংগিত দি আৱেগিক হৈ পৰাক লৈ প্ৰায় আটাইকেইখন কাকতে বাতৰিটো প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডে কাজিৰঙাৰ এলিভেটেড কৰিডৰৰ বাবে কেইবাটাও চৰ্ত বান্ধি দিছে। এই সন্দৰ্ভত The Assam Tribune কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰীয়ে সমাজিক মাধ্যমযোগে পৰ্যটকক অসমৰ চাহ বাগিচা পৰিদৰ্শনৰ আহবান জনোৱা এটা বাতৰি অসমীয়া

প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কালি অসমত প্ৰধানমন্ত্ৰীৰ সভাত মুখ্যমন্ত্ৰীৰ নিৰ্দেশত মন্ত্ৰী বিধায়ক আমোলাসকল স্বেচ্ছাসেৱক হিচাপে অংশগ্ৰহণ কৰাৰ বাতৰি এটাক অসমীয়া খবৰ কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। চাহ আৱৰ্জনাসমূহ অহা ১ এপ্ৰিলৰ পৰা ই নিলাম যোগে ক্ৰয় বিক্ৰয় কৰা হব। এই বাতৰিটো The Sentinel কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কাকতসমূহে প্ৰধানমন্ত্ৰী মোদীয়ে কালি কাজিৰঙা দৰ্শনৰ বাতৰি ফটোসহ গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে: ১৪ মাৰ্চত অসমলৈ আহিব অমিত শ্বাহ, ৰাজনাথ সিং, নৈশ বাছ, চিটী বাছ অন্তৰ্ধান, হাহাকাৰ যাত্ৰীৰ , প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰীসহ কংগ্ৰেছৰ বহু নেতাৰ বিজেপিত যোগদান, ডিমা হাছাওত স্কুলৰ সম্মুখতে বাহনৰ খুন্দাত দুই ছাত্ৰীৰ মৃত্যু, বঙাইগাঁওত হিন্দু কিশোৰীৰ হত্যাক লৈ উত্তেজনা, নিৰ্বাচনৰ প্ৰাকক্ষণত নিৰ্বাচন আয়ুক্ত অৰুণ গোৱেলৰ পদত্যাগ , নিৰ্বাচন আয়োগলৈ ৭৯ প্ৰাক্তন আমোলৰ পত্ৰ: SBI য়ে ইলেকটৰেল বণ্ডৰ তথ্য ৰাজহুৱা নকৰালৈ বন্ধ ৰাখক নিৰ্বাচন ,৩৯০ বছৰীয়া ঐতিহ্য সুঁৱৰি মাজুলীত চৰাইচোনং উৎসৱ ইত্যাদি।

এয়াই আছিল গুৱাহাটীৰপৰা আজি প্ৰকাশিত বাতৰিকাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

00000000

**সমাপ্ত**